**Bharatiya Janata Party :: Assam Pradesh**

***"State Election Management Office"***

Uluban, Guwahati :: Tel : 0361-2465578 :: email: mediacell.bjpassampradeshi@gmail.com

# সংবাদ মেলৰ সংবাদ

বাজ্যিক সংবাদ কোষ, ০৪ এপ্ৰিল ঃ ভোটাধিকাৰ এখন দেশৰ প্ৰাপ্তবয়স্ক নাগৰিকসকলৰ সাংবিধানিক অধিকাৰ, এই অধিকাৰ সবাস্ত কৰাৰ ক্ষেত্ৰত আনৰ হস্তক্ষেপ অবৈধ আৰু অবাঞ্ছনীয়, লাগিলে হস্তক্ষেপকাৰীসকল বুদ্ধিজীৱীয়েই হওক বা আন কোনোবাই হওক। শেহতীয়াকৈ অসম বিধানসভাৰ চলিত নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণৰ ঠিক আগে আগে অসমৰ কেইগৰাকীমান বুদ্ধিজীৱীয়ে বিজেপিক ভোট নিদিবলৈ জনোৱা আহ্বান সন্দৰ্ভত এই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সম্পাদক তথা সাংসদ ৰমেন ডেকাই।

আজি ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশৰ উলুবাৰীত থকা নিৰ্বাচনী কাৰ্যালয়ত আয়োজিত এক সংবাদ মেলত দলটোৰ ৰাষ্ট্ৰীয় সম্পাদক তথা সাংসদ ডেকাই কয় যে বুদ্ধিজীৱীসকলে ৰাইজৰ সন্মুখত ৰাজনৈতিক দলসমূহৰ নীতি-আদৰ্শৰ ভাল বেয়া বিশ্লেষণ কৰি দেখুওৱাত কাৰো আপত্তি কৰিবলগীয়া নাই, কিন্তু নিৰ্বাচনৰ ঠিক আগে আগে অসমৰ এছাম বুদ্ধিজীৱীয়ে পোনপটীয়াকৈ বিজেপিক লক্ষ্য কৰি লৈ দলটোক ভোট নিদিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনোৱাটো নিশ্চয়কৈ পক্ষপাতদুষ্ট আৰু ন্যস্তস্বাৰ্থ জড়িত কাৰ্য বুলিব লাগিব। কোনটো দলৰ আদৰ্শ ভাল, কোনটোৰ বেয়া তাক বিচাৰ কৰিব পৰা ক্ষমতা অসমৰ নাগৰিকৰ নাই বুলি ভাবি এনে অবাঞ্ছিত অভিভাৱকত্ব দেখুওৱাটো হয়তো তেওঁলোকৰে বুদ্ধিৰ দুৰ্বলতা। এই সন্দৰ্ভত সাংসদ ডেকাই কয় যে এনে কাৰ্যৰ দ্বাৰা সন্মানীয় বুদ্ধিজীৱীসকলে ৰাইজৰ বিবেচনা শক্তিৰ অৱমূল্যায়ণ কৰাই নহয়, ৰাইজক বিভ্ৰান্তও কৰিছে। তথাপি বিজেপিক ভোট নিদিবলৈ আহ্বান জনোৱা বুদ্ধিজীৱীসকলে কাক ভোট দিব লাগে তাক কোৱাৰ পৰা বিৰত থাকি কাৰ পক্ষ গ্ৰহণ কৰিছে তাক অসমৰ ৰাইজে বুজি পাইছে। সংবাদ মেলত ডেকাই অসমৰ জনসাধাৰণক নিজৰ বিচাৰ-বিবেচনাৰে অসমৰ আৰ্থ-সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপটত দেখিবলৈ পোৱা অসমৰ দুৰ্দশাৰ ছবিখন বিশ্লেষণ কৰি ইয়াৰ পৰা উদ্ধাৰ পোৱাৰ লক্ষ্যৰে এক ইতিবাচক পৰিবৰ্তনৰ বাবে ভোট দান কৰিবলৈ আহ্বান জনায়। সংবাদ মেলখনত কৃষক নেতা অখিল গগৈ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত সাংসদ ডেকাই কয় যে কৃষক নেতাগৰাকীৰ যে নিজৰে কোনো স্থিৰতা নাই সেই কথা তেওঁৰ বিগত দিনৰ কাৰ্যকলাপে প্ৰকাশ কৰিছে, গতিকে তেওঁ নিজেই জনসাধাৰণৰ ওচৰত নিজৰ বিশ্বাসযোগ্যতা হেৰুৱাইছে বাবে তেওঁৰ বিষয়ে নতুনকৈ ক'বলগীয়া একো নাই।

জিতু তালুকদাৰ
যুটীয়া আহ্বায়ক
ৰাজ্যিক সংবাদ কোষ